Sample question paper

Subject: Assamese

Subject code- (114)

Class: XII

Session: 2023-24

Time: 3 hours Total marks: 80

Section A

Comprehension ( বোধ পৰীক্ষণ)

1. তলৰ অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা। 2x6=12

সংবিধান অনুসৰি ভাৰতত স্থায়ীভাৱে বসবাস কৰা সকলো লোকেই নাগৰিক। নাগৰিকসকলে শান্তিপূৰ্ণ তথা সুখী জীৱন যাপন কৰিবৰ বাবে সংবিধানে কিছুমান মৌলিক অধিকাৰ প্ৰদান কৰিছে। সেইবোৰ হ'ল- সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় অধিকাৰ, সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ আৰু নিৰাপত্তাৰ অধিকাৰ। নাগৰিকসকলে এই অধিকাৰসমূহ ভোগ কৰি আহিছে যিহেতু, সেয়ে ৰাষ্ট্ৰৰ প্ৰতিও নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য আছে।

যিখন ৰাষ্ট্ৰই আমাৰ সুখ- শান্তি, উন্নতি আৰু নিৰাপত্তাৰ বাবে আমাক এই অধিকাৰবোৰ প্ৰদান কৰিছে, সেইখন ৰাষ্ট্ৰক ভাল পোৱা, ইয়াৰ মংগলৰ কাৰণে চিন্তা কৰা, ইয়াৰ সেৱা কৰা আৰু প্ৰয়োজনত ৰাষ্ট্ৰৰ নিৰাপত্তা আৰু স্বাধীনতা ৰক্ষাৰ কাৰণে নাগৰিকে জীৱন দান কৰিবলৈকো সাজু থকাটো নাগৰিকৰ প্ৰথম আৰু প্ৰধান দায়িত্ব। তদুপৰি চৰকাৰী সা-সম্পত্তি, ঘৰ- দুৱাৰ, ৰাস্তা- ঘাট আদি সকলোবোৰ সংৰক্ষণৰ দায়িত্বও নাগৰিকৰে।

দেশৰ প্ৰশাসনীয় আৰু উন্নয়নমূলক কামবোৰ পৰিচালনাৰ বাবে বহুত ধনৰ প্ৰয়োজন। মাটিৰ খাজনা, স্থানীয় কৰ, আয়কৰ, বিক্ৰীকৰ, দেশৰ সম্পদৰপৰা হোৱা আয় আদিৰ ধনেৰেই এইবোৰ কাম পৰিচালনা কৰিব লাগে। গাড়ী, ঘৰ, হাট- বজাৰ আদিৰ বাবেও কৰ নিৰ্ধাৰণ কৰি, আহৰণ হোৱা ধনেৰে স্বায়ত্ব শাসনৰ অনুষ্ঠানবোৰে পুঁজি গঠন কৰে। নাগৰিকসকলে নিয়মিতভাৱে ৰাজহ আদায় দিলেহে দেশৰ সকলো কাম সুচাৰু ৰূপে আৰু সুকলমে পৰিচালিত হব।

আধুনিক ৰাষ্ট্ৰত ভোটাধিকাৰ এটা পবিত্ৰ অধিকাৰ। আমি সজ, কাৰ্যদক্ষ, জনসাধাৰণৰ কল্যাণৰ প্ৰতি আগ্ৰহী প্ৰতিনিধি নিৰ্বাচন কৰি পঠাব পাৰিলেহে চৰকাৰ বা অনুষ্ঠানবোৰ কাৰ্যদক্ষ আৰু কল্যাণকামী হব। সেইবাবে দলীয় প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত কেৱল দলীয় স্বাৰ্থলৈ লক্ষ্য নকৰি, দলৰ কাৰ্যসূচী, প্ৰাৰ্থীজনৰ ব্যক্তিগত গুণাগুণ, সমাজৰ প্ৰতি তেওঁৰ অৱদান আদিলৈ লক্ষ্য কৰি সুস্থিৰভাৱে ভোটদান কৰা বাঞ্ছনীয়। আমাৰ বহুতো নাগৰিক ভোটদানৰ প্ৰতি আগ্ৰহী নহয়।, ফলস্বৰূপ ৰাইজক দিয়া এই অধিকাৰৰ উদ্দেশ্য সাধিত নহয়।

স্বাধীন চিন্তা- চৰ্চা, প্ৰচেষ্টাৰ যোগেদি মানসিক, আৰ্থিক, সাংস্কৃতিক আদি দিশত উন্নতি সাধনত আগুৱাই যাবলৈ প্ৰত্যেক নাগৰিকৰ অধিকাৰ আছে। আমি সভা- সমিতিত আলোচনা- বিলোচনা কৰোতে, বক্তৃতা দিওতে, ৰাজহুৱা

অনুষ্ঠানত অংশ গ্ৰহণ কৰোতে অন্য নাগৰিকৰো সুবিধা- অসুবিধালৈ লক্ষ্য ৰাখিব লাগিব। কোনো ৰাজহুৱা কামত আমাৰ মতামতকে শুদ্ধ বুলি দাবী নকৰি আনৰ মতামত আৰু যুক্তিকো ধৈৰ্য্য আৰু সহিষ্ণুতাৰে শুনিব লাগিব।

দেশৰ জনগণৰ দুখ- দাৰিদ্ৰৰ সুযোগ লৈ ধনতন্ত্ৰই দেশত গা কৰি উঠাৰ সম্ভাৱনা থাকে। সেয়ে নাগৰিক সচেতন হোৱাৰ প্ৰয়োজন। কিন্তু নাগৰিকসকল শিক্ষিত নহলে, দৰিদ্ৰতাৰ কবলত জৰ্জৰিত হলে সচেতনতা আহিব নোৱাৰে। নাগৰিকসকল যাতে শিক্ষিত আৰু সংস্থানযুক্ত হয় তাৰ বাবে আৱশ্যকীয় নজৰ দিয়া, চৰকাৰৰ দৃষ্টিগোচৰ কৰাই দাৰিদ্ৰৰ কাৰণবোৰ দূৰীকৰণ কৰাটো নাগৰিকৰ কৰ্তব্য।

জনসেৱা তথা ৰাজ্য সেৱা কৰাটো সুনাগৰিকৰ দায়িত্ব আৰু কৰ্তব্যবোধৰ মূল বিন্দু হোৱা উচিত। ৰাষ্ট্ৰৰ সৰ্বাংগীন কল্যাণ সাধনৰ যোগেদিহে ব্যক্তিৰো কল্যাণ সাধিত হয়। নাগৰিকসকল কল্যাণকামী হব লাগিলে মনৰ সংকীৰ্ণতা বিসৰ্জন দি সুশিক্ষা গ্ৰহণৰ যোগেদি আদৰ্শবাদী, উদ্যমী আৰু দেশ- সমাজৰ সাধক হব লাগিব।

প্ৰশ্ন:

I)ভাৰতৰ সংবিধানে নাগৰিকক প্ৰদান কৰা মৌলিক অধিকাৰবোৰ কি কি?

II)নাগৰিকৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য কি?

III)স্বায়ত্ব- শাসনৰ অনুষ্ঠানবোৰে ক'ৰপৰা ধন আহৰণ কৰে ?

IV)এগৰাকী নাগৰিকে কেনে ধৰণৰ প্ৰাৰ্থীক ভোটদান কৰিব লাগে?

V)ৰাজহুৱা অনুষ্ঠানত আমি কি কৰা উচিত?

VI)নাগৰিকসকল কিদৰে কল্যাণকামী হব পাৰে?

2) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা 1x3=3

I) 'সুখী' শব্দটোত কি প্ৰত্যয় যোগ হৈছে ?

A) উ

B) অ

C) ই

D) ঈ

II) 'সা- সম্পত্তি' কি শব্দ?

A) অনুকাৰ

B) অনুৰূপ

C) যৌগিক

D) ৰূঢ়

III) ‘হাট’ শব্দটোৰ সমোচ্চাৰক শব্দ হল

A) বজাৰ
B) হাত
C) হাড়
D) হাৰ

## Section B

( লিখন কলা)

3.a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। শিৰোনাম আৰু নীতি শিক্ষা দিবা 5x1=5

এখন গাঁৱত ফৰিং নামৰ খেতিয়ক আছিল ....এদিন ঘৈণীয়েকে পিঠা ভাজি বেছিভাগ নিজে খালে......ফৰিঙে ডলাত পিঠাৰ সাঁচ দেখি ঘৈণীয়েকে তিনিকুৰি খোৱা বুলি কলে.....ফৰিঙে সকলো কথা জানে বুলি প্ৰচাৰ.....ৰজাৰ চুৰি হোৱা হাৰডাল ফৰিঙক বিচাৰি দিব কলে.....ফৰিঙে হাদৈ আজিয়েই খাই ল বুলি কোৱাত হাদৈ নামৰ ৰাণীয়ে হাৰডাল উলিয়াই দিলে.......ৰজাই হাতৰ মুঠিত কি আছে বুলি ফৰিঙক সুধিলে.....ফৰিঙৰ মৰণ মিলিল বুলি কলে.....ৰাজ্যত ফৰিঙে সকলো জনা ব্যক্তি বুলি পৰিচিত হল।

নাইবা

b) যিকোনো এখন ৰচনা লিখা 5x1=5

I) অসমৰ প্ৰাকৃতিক সম্পদ

II) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ

4) তোমাৰ অঞ্চলত অনুষ্ঠিত হোৱা গ্ৰন্থমেলাৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা 5x1=5

5) তলত দিয়া যিকোনো এটা ফকৰা যোজনা বুজাই লিখা 5x1=5

I) ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হয়।

II) লোকলৈ বুলি হুল পুতি নিজে মৰে ফুটি।

6) ভাৱ সম্প্ৰসাৰণ কৰা (যিকোনো এটাৰ) 5×1=5

I)বিদ্যাৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে।

II) নম্ৰতা সজ ব্যৱহাৰৰ অনুপান ।

7)তলত দিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰা (যিকোনো পাঁচটা) 1x5=5

ভাত মাৰ, বাট চা, মাটি কৰ, মাটি হ, মাত লগা, হাড়ত বন গজা

Section-C

( ব্যাকৰণ)

8) তলত দিয়া সমোচ্চাৰিত শব্দকেইটাৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা 1x4=4

I) বিনা

A) বাহিৰে

B) সাহ

C) এবিধ বাদ্যযন্ত্ৰ

D) আচল

II) বীণা

A)পাহৰা

B)এবিধ বাদ্যযন্ত্ৰ

C)দূত

D)বাহিৰে

III) দীপ

A) চাকি

B) ছায়া

C)পানীৰে আগুৰা ঠাই

D) হিংসা

IV) দ্বীপ

A)দুখীয়া

B)চাকি

C)হাতী

D) পানীৰে আগুৰা ঠাই

9) a)তলত দিয়া শব্দ দুটাৰ অনুৰূপ শব্দ বাছি উলিয়াই লিখা 1x4=4

I) ঘৰ

A) চৰ

B) ধৰ

C) ফৰ

D) মৰ

II) টকা

A) মকা

B) চকা

C) ৰকা

D) ধৰা

b) তলৰ শব্দটোৰ অনুকাৰ শব্দ লিখা

I) কেৰ

A) মেৰ

B) চেৰ

C) কেৰ

D) ঘেৰ

II) অনুকাৰ শব্দ কিহৰ অনুকৰণত সৃষ্টি হ য় ?

A) ধ্বনি বা জীৱ জন্তুৰ মাতৰ

B) মানুহৰ কথাৰ

C) পদৰ

D) সুৰৰ

10) তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দকেইটা বাছি উলিয়াই লিখা 1x4=4

I) একেটা পদত থকা ঋ, ৰ, ষ- ৰ পিছত থকা দন্ত্য ন, মূৰ্দ্ধন্য ণ হয়

A) শোণিত

B) কৰ্ণ

C) কৃষক

D) নিপুণ

II) ট- বৰ্গৰ কোনো বৰ্ণৰ লগত যুক্ত হলে দন্ত্য ন, মূৰ্দ্ধন্য ণ হয়

A) ঘণ্টা

B) পাষাণ

C) বাণিজ্য

D) বৰষুণ

III) সু আৰু বি উপসৰ্গৰ পাছত থকা সম শব্দৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়

A) বিষয়

B) দোষ

C) চাক্ষুষ

D) সুষম

IV) কিছুমান শব্দত স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয়

A) বৰ্ষণ

B) সুষমা

C) ভূমিষ্ঠ

D) নিষাদ

11) তলৰ শব্দকেইটাত কি প্ৰত্যয় যোগ হৈছে বাছি উলিয়াই লিখা 1x4=4

I) বহুৰা

A) উৰা

B) ওৱা

C) ইয়া

D) ঊৰা

II) লিখক

A) ক

B) ওক

C) ৰক

D) অক

III) ধাননি

A) নি

B) অনি

C) অনী

D) উনি

IV) পনীয়া

A) ঈয়া
B) ইয়া
C) য়া

D) উৱা

12. উত্তৰ লিখা 1x4=4

I) উক্তি কাক বোলে?

II) উক্তি কেইপ্ৰকাৰৰ আৰু কি কি ?

III) পৰোক্ষ উক্তিৰ পিছত কি কি অব্যয় বহে ?

IV) চিৰন্তন সত্য হলে পৰোক্ষ উক্তিত কি কালৰ ক্ৰিয়া হব ?

## Section D

(গদ্য ভাগ)

13. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা 4x1=4

I) "মোৰ মাতৃমুখ দৰ্শন" পাঠটোৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাই সম্বলপুৰৰপৰা গুৱাহাটীলৈ কৰা ৰেল যাত্ৰাৰ চমু বিৱৰণ আগবঢ়োৱা।

II) বৈৰাগ্য মানে কি? ভাৰতীয় আদৰ্শত কেনেধৰণৰ বৈৰাগ্যৰ কথা কোৱা হৈছে?

14. তলত দিয়া যিকোনো এটাৰ প্ৰশ্নৰ উত্তৰ লিখা । 2x1=2

I) "মোৰ মাতৃমুখ দৰ্শন" পাঠটোৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

II) আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া?

15. তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা 1x4=4

I) লক্ষ্মীনাথ বেজবৰুৱাৰদ্বাৰা ৰচিত এখন বুৰঞ্জীমূলক নাটকৰ নিম লিখা।

II) আনন্দৰাম বৰুৱাই ভাৰতৰ উপৰিও ক'ত শিক্ষালাভ কৰিছিল?

III) ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ কি?

IV) তীৰ্থনাথ শৰ্মাৰদ্বাৰা ৰচিত কাব্য গ্ৰন্থখনৰ নাম লিখা।

(পদ্য ভাগ)

16. যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা 4×1=4

I) তোমাৰ পাঠত থকা "জনতাৰ আহ্বান" কবিতাটোৰ মূলভাৱ লিখা।

II) সিদ্ধ মুণিগণে চিন্তিয়া নপাৰে
সো হৰি যশোৱা কোলে ।
ত্ৰিজগতৰ পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে ।।

উক্ত কবিতাফাঁকিৰ অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা।

17.চমু উত্তৰ লিখা (যিকোনো এটা) 2x1=2

I) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা ।

II)"উভতি নহাৰ কবিতা"টোত কবিয়ে জীয়াই থকাৰ মন্ত্ৰ কি বুলি কৈছে জীয়াই থকাৰ ধেমালিটো কবিয়ে কেইবাৰ খেলিছে?

18. উত্তৰ লিখা 1x4=4

I) মাধৱদেৱে কিমানটা বৰগীত ৰচনা কৰিছিল?

II) প্ৰথম অসমীয়া চলচ্চিত্ৰখনৰ নাম কি?

III) কোনখন পুথিৰ বাবে নৱকান্ত বৰুৱাই সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

IV) "তামীঘৰা" শব্দটোৰ অৰ্থ কি?